**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-02-2025
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে কালি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নম, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণণ, ছিংগাপুৰ আই টি ই শিক্ষা সেৱাৰ মুখ্য কাৰ্যবাহী বিষয়া সুৰেশ নটৰাজন, সুৰ্বানা জুৰঙৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ এক আৰু ছেমিকণ্ডাক্টৰ উদ্যোগৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰে। ড° শৰ্মাই তেওঁলোকৰ সৈতে নগৰ পৰিকল্পনাৰে ৰাজ্যত চহৰ আৰু ঔদ্যোগিক উদ্যান নিৰ্মাণ, সেউজ শক্তি, কাৰিকৰী শিক্ষা, জাগীৰোডৰ ইলেকট্ৰনিক ছিটিত অংশীদাৰিত্ব আদি বিষয় লৈ আলোচনা কৰে। তেওঁ লগতে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ সৈতে ছেমিকণ্ডাক্টৰ আৰু উদ্যোগ খণ্ডত ছিংগাপুৰৰ অংশীদাৰিত্বই ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য খণ্ডক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। ড° শৰ্মাই কয় যে অসমত বিশ্ব দক্ষতা কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে আই টি আই ছিংগাপুৰৰ দক্ষতাৰ ব্যৱহাৰৰ পথ অন্বেষণ কৰিব। ভ্ৰমণকালত ড° শৰ্মাই আই টি ই ছিংগাপুৰৰ উদ্যোগ কেন্দ্ৰিক এৰোস্পেচ পৰীক্ষাগাৰ, ফেকালটিৰ মান, ইলেকট্ৰনিক্স আদিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত এটা ৰোড শ্ব’ত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০

ৰাজ্যত কাইলৈৰ পৰা হ’বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰিক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ’ব। ৰাজ্যৰ মুঠ ৮৫৬টা পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ’ব। এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ’বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় শিক্ষা বিভাগে ইতিমধ্যে দুখনকৈ গুৰুত্বপূৰ্ণ সমিতি গঠন কৰিছে। ৰাজ্যিক পৰ্যায়ৰ পৰীক্ষা পৰ্যবেক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ পৰীক্ষা পৰ্যবেক্ষণ সমিতিৰ তত্বাৱধানত হ’বলগীয়া এই পৰীক্ষাত মোবাইল ফোনকে ধৰি সকলো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত বাধা আৰোপ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰত কেন্দ্ৰৰ নিৰীক্ষক, নিৰাপত্তা বিষয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলেও কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব। পৰীক্ষাৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট জিলাৰ জিলা আয়ুক্তসকলে ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ বাধা-নিষেধ আৰোপ কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০০

তিনিচুকীয়া জিলা আয়ুক্ত আৰু ডুমডুমা সমজিলা আয়ুক্তৰ নিৰ্দেশ অনুসৰি কালি ডুমডুমা চহৰৰ ফিলোবাৰী, ৰূপাই আদি বজাৰত অভিযান চলাই বুজন পৰিমাণৰ সন্দেহজনক চিনা নহৰুৰ নমুনা পৰীক্ষাৰ বাবে সংগ্ৰহ কৰা হয়। সহকাৰী আয়ুক্ত সুদীপ গগৈৰ নেতৃত্বত অভিযানকাৰী দলটোৱে ব্যৱসায়ীসকলক এনে নহৰুৰ বিক্ৰী বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ অন্যথা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও দলটোৱে প্ৰকাশ কৰে। কৰ ফাকিৰে বিভিন্ন বজাৰত অবৈধভাৱে বিক্ৰীৰ ব্যৱস্থা কৰা এনে সামগ্ৰীৰ ওপৰত প্ৰশাসনৰ তৰফৰ পৰা চোকা দৃষ্টি ৰখা হৈছে বুলি সহকাৰী আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, দৰং জিলা প্ৰশাসন, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনৰ সহযোগত মঙলদৈৰ গান্ধী মৈদানত আজি কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু কেশৱ মহন্তৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বিজেপি ডিব্ৰুগড় জিলা সমিতিয়ে আজিৰে পৰা ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থকাৰ কথা। কাৰ্যসূচীৰ অংশহিচাপে বিশিষ্ট কবি বিজু শৰ্মাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কালিৰে পৰা বন্যপ্ৰাণী সংৰক্ষণ আৰু সংৰক্ষণ কৰ্মীৰ দক্ষতা বিকাশৰ ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় ইণ্টাৰ নেচনেল বিগ কেট এলায়েঞ্চ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত আয়োজিত এই কৰ্মশালাৰ কালি উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ আৰু ৰাজ্যৰ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকে। কেন্দ্ৰীয় বন মন্ত্ৰীগৰাকীয়ে এই পাঠ্যক্ৰমত অংশ ল'বলৈ অহা বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকসকলক আদৰণি জনায়। বিশ্বৰ ২৭ খন দেশৰ অংশগ্ৰহণকাৰীয়ে অংশ লোৱা এই অনুষ্ঠানত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক সন্দীপ কুমাৰে অংশ লৈ দিয়া ভাষণত বিভিন্ন প্ৰজাতিৰ পশু-পক্ষীৰ বিচৰণ ভূমি কাজিৰঙাত এই পাঠ্যক্ৰমে অংশগ্ৰহণকাৰীসকলক বিশেষভাৱে সহায় কৰিব বুলি মন্তব্য কৰে। ইৰাণ, আফ্ৰিকা, ভূটান, মালয়েছিয়া, শ্ৰীলংকা, কেনিয়াকে ধৰি ২৭ খন দেশৰ প্ৰতিনিধিসকলে কাজিৰঙাত থাকি ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ ব্যৱস্থা, চোৰাংচিকাৰ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, গৱেষণা পদ্ধতি, পানী ধৰি ৰখাৰ ব্যৱস্থাকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰিব।

০০০০০০০

**সমাপ্ত**